**অসম বিধান সভা**
**তৰাচিহ্নিত প্ৰশ্ন নং -২৪৭**
**উত্তৰ দানৰ তাৰিখ-২৮/৭/২০২৬**

**বিষয়: পৰ্য্যটন স্থলীৰ আন্তঃগাঁথনি উন্নয়ন**

**শ্ৰী বলিন চেতিয়া, বিধায়ক**

**::প্ৰশ্ন::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) শদিয়া বিধানসভা সমষ্টিৰ বুঢ়াবুঢ়ী শাল, কেঁচাইখাইটি থান, তাম্ৰেশ্বৰী শাল, তেজীমলা পুখুৰী, বৰআলি, বাইথ মন্দিৰ আদিকে ধৰি বহু বুৰঞ্জী প্ৰসিদ্ধ নানান কীৰ্তিচিহ্নসহ পৰ্য্যটন স্থলী আছে । তেনে ক্ষেত্ৰত বিভাগে এইসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত কি কি পৰিকল্পনা গ্ৰহণ কৰিছে ? (সদনত জনাব)

(খ) যিহেতু পৰ্য্যটন খণ্ডই নিয়োগ আৰু কৰ্মসংস্থাপনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে, সেয়েহে পৰ্য্যটন স্থলীসমূহক একগোট কৰি পৰ্য্যটন কেন্দ্ৰলৈ পৰিগণিত কৰিবলৈ চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ? (সদনত জনাব)

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:-**

(ক)২০২২-২৩ বিত্তীয় বৰ্ষত ১২.৫০ লাখ টকা ব্যয় সাপেক্ষে **অসম পৰ্য্যটন বিভাগৰ** অধীনত কেঁচাইখাইতি থানত আন্তঃগাঁথনি উন্নয়নৰ কাৰণে ভোগঘৰ নিৰ্মাণ কৰা হয়। অৱশ্যে অন্যান্য উল্লেখিত **শদিয়া বিধানসভা সমষ্টিৰ বুঢ়াবুঢ়ী শাল, তাম্ৰেশ্বৰী শাল, তেজীমলা পুখুৰী, বৰআলি, বাইথ মন্দিৰ আদি বুৰঞ্জী প্ৰসিদ্ধ কীৰ্তিচিহ্নপৰ্য্যটন স্থলী** হোৱা হেতুকে, ইয়াৰ সংৰক্ষণ, মেৰামতি আৰু অন্যান্য সংৰক্ষণমূলক কামসমূহ অসম ৰাজ্য প্ৰত্নতত্ব বিভাগৰ অধীনত পৰে আৰু অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ পৰা সংগৃহীত তথ্য অনুসৰি,শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত বুঢ়াবুঢ়ী শাল, তেজীমলা পুখুৰী, পদুম পুখুৰী, প্ৰতিমা গড়, বৰপুখুৰী আৰু জুৰীয়া মৈদাম প্ৰত্নতত্ব সঞ্চালকালয়, অসমৰ অধীনত সংৰক্ষিত তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। ওপৰত উল্লেখিত স্থানসমূহৰ বাহিৰে বৰআলী, কেচাইখাইটি থান, তাম্ৰেস্বৰী শাল, বাইথ মন্দিৰ, এই স্থানসমূহ এতিয়াও প্ৰত্নতাত্বিক সংৰক্ষিত তালিকাত অন্তৰ্ভুক্ত কৰা নাই। এই বিভাগে অনাগত দিনত পৰ্যায়ক্ৰমে সংৰক্ষিত স্মাৰকৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিব। বিত্তীয় বৰ্ষ ২০২২-২৩ ত Directorate of Welfare of Plain Tribes and Backward Classes বিভাগে অসম চৰকাৰৰ Chutiya Development Council ৰ আবন্টিত ধনেৰে পদুম পুখুৰী আৰু প্ৰতিমা গড়ত খনন কাৰ্য সমাপন তথা আন্তঃগাঁথনি উন্নয়ন আঁচনি ৰূপায়ন কৰে।

(খ)বৰ্তমান পৰ্যটন বিভাগ অসম চৰকাৰৰ এনে কোনো পৰিকল্পনা নাই যদিও ভৱিষ্যতে পুঁজিৰ উপলব্ধতা সাপেক্ষে বিবেচনা কৰিব পৰা যাব।

---------------XXXX--------------

The reply has been submitted in the NeVA portal of Assam Legislative Assembly